**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-April-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

———————————

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ এদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পুনৰ অসমলৈ আহিছে। তেওঁ কালি সন্ধিয়া গুৱাহাটীত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি দিনৰ ১১ বজাত হোজাইত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব। ইয়াৰ পাছত তেওঁ  ভৱানীপুৰ আৰু সৰভোগত বিজেপি প্ৰাৰ্থী ৰণজিৎ কুমাৰ দাসৰ হৈ প্ৰচাৰ চলাব। বিয়লিৰ ভাগত প্ৰধানমন্ত্ৰীয়ে ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি আৰু কাইলৈ বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে নিৰ্বাচনী প্ৰচাৰৰ বাবে আজি পুনৰ অসমলৈ আহিব। কাইলৈ তেওঁ এখন সংবাদমেলত ভাগ ল'ব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা।

ইপিনে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলৰ সভাপতি ৰাহুল গান্ধীয়ে কালি গোলাঘাট, বিশ্বনাথ আৰু কমলপুৰত নিৰ্বাচনী সভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। শ্ৰীগান্ধীয়ে অসমত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিলে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ মৰ্যাদা প্ৰদানৰ উপৰি ১০ লাখ লোকক ভূমি পট্টা প্ৰদান তথা চাহ শ্ৰমিকক ৪৫০ টকাকৈ মজুৰি প্ৰদান কৰা হ'ব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি বোকাখাতত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ চলায়।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি পশ্চিম গোৱালপাৰা, দুধনৈ, পলাশবাৰী আৰু বকো-ছয়গাঁৱত প্ৰচাৰ অভিযানত অংশ লয়। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে চৰাইদেউ জিলাৰ সোণাৰী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী মনেশ্বৰ ব্ৰহ্মৰ হৈ প্ৰচাৰ চলায়। একেদৰে ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োই চিৰাঙত দলীয় প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী আৰু কমল সিং নাৰ্জাৰীৰ সমৰ্থনত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মণিপুৰৰ মুখ্যমন্ত্ৰী ৱাই খেমছান্দ সিঙে কাছাৰ জিলাৰ উধাৰবন্দ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ৰাজদীপ গোৱালাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০

অহা ৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে ডিব্ৰুগড় জিলাৰ আটাইকেইটা সমষ্টিতে বয়োজ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণ কাৰ্য অব্যাহত আছে। বৰ্তমানলৈ জিলাখনত ৮৫ বছৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষম এহেজাৰ ৮০২ গৰাকী ভোটদাতাই পোষ্টেল বেলটৰ জৰিয়তে নিজৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। পোলিং বিষয়াসকলে ঘৰে ঘৰে গৈ গ্ৰহণ কৰা এই কাৰ্যসূচী কাইলৈ সামৰণি পৰিব।

০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে জিলা প্ৰশাসনসমূহে সুকলমে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈ উঠিছে।  নিৰ্বাচনত ব্যৱহাৰ হবলগীয়া ই ভি এম সমূহত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্টকৰণ

কাৰ্য ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত সফলতাৰে কৰা হৈছে। নিৰ্বাচনৰ আয়োগৰ নিৰ্দেশনা অনুসৰি সম্পূৰ্ণ স্বচ্ছতাৰে প্ৰাৰ্থী অথবা তেওঁলোকৰ অনুমতি প্ৰাপ্ত প্ৰতিনিধিৰ উপস্থিতিত এই প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। মুঠ ৪১ হাজাৰ ৩২০ টা বেলট ইউনিট, ৪৩ হাজাৰ ৯৭৫ টা কণ্ট্ৰল ইউনিট আৰু ৪৩ হাজাৰ ৯৯৭ টা ভি ভি পেট ইউনিটত প্ৰাৰ্থীসকলৰ নাম তথা প্ৰতীক চিহ্ন সন্নিবিষ্ট কৰা হৈছে। ৰাজ্যৰ ৩১ হাজাৰ ৪৯০ টা ভোটগ্ৰহণ কেন্দ্ৰত প্ৰয়োজন সাপেক্ষে ব্যৱহাৰৰ বাবে ই ভি এম সংৰক্ষণ কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচ ৰ জিলাৰ একমাত্ৰ বিধানসভা সমষ্টিৰ মানকাচৰৰ ৪০২ টা ভোটগ্ৰহণ কেন্দ্ৰত নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন কৰাৰ বাবে ৪৮৮ টা ভোটগ্ৰহণকাৰী দলক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰ পূৰ্বে পলিং আৰু প্ৰিজাইডিং বিষয়াসকলকো প্ৰশিক্ষণ দিয়া হৈছিল। কাৰ্বি আংলং জিলাত নিৰ্বাচনী প্ৰক্ৰিয়াত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে কালি ডাক বেলটযোগে  ভোটদান কৰে। জিলাখনৰ নিৰ্বাচন বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াই ডিফুত ডাক বেলটযোগে ভোটদান কৰে। নিৰ্বাচনী জিলাখনত নিয়োজিত কৰ্মচাৰীসকলে আজি পৰ্যন্ত ডাক বেলটযোগে ভোটদান কৰিব পাৰিব।

ডিব্ৰুগড় জিলাত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি সাধাৰণ পৰ্যবেক্ষক টি এন ভেংকতেশে চাবুৱা-লাহোৱাল, ডিব্ৰুগড় আৰু খোৱাং বিধানসভা সমষ্টিত ৰিটাৰ্ণিং বিষয়া, সহকাৰী ৰিটাৰ্ণিং বিষয়া, জ'নেল আৰু চেক্টৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰসমূহত প্ৰয়োজনীয় সুবিধা প্ৰদান সন্দৰ্ভত আলোচনা কৰা হয়।

যোৰহাট জিলাত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। তদুপৰি জিলাখনৰ বিভিন্ন প্ৰান্তত সুৰক্ষা কৰ্মীয়ে তালাচী চলাই আছে। ইপিনে, জিলা প্ৰশাসনে ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ বাবে কালি পদযাত্ৰা অনুষ্ঠিত কৰে। যোৰহাট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ নিৰ্দেশ মৰ্মে জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয় আৰু অ' এন জি চিৰ উদ্যোগত তথা জিলা চুইপ কোষৰ সহযোগত এই পদযাত্ৰা কৰা হয়।

লখিমপুৰ জিলাত কালি ভোটদাতাসকলক আকৰ্ষণৰ বাবে ছুইপ আইকন ৰাকেশ বনিকে জিলাখনৰ বিভিন্ন অঞ্চলৰ মাজেৰে চাইকেল ৰেলী উলিয়ায়। এই ৰেলীত জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু প্ৰশাসনৰ বিভিন্ন বিষয়াসকলৰ লগতে নাগৰিকসকলে অংশগ্ৰহণ কৰে।

০০০০০০

**সমাপ্ত**